# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 03-03-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জৰ্দানৰ ৰজা দ্বিতীয় আব্দুলা, ছৌদি আৰবৰ প্ৰধানমন্ত্ৰী মহম্মদ বিল ছলমান আৰু বাহৰেইনৰ ৰজা হামাদ বিন ইছা অল খালিফাৰ সৈতে পৃথকে পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতিৰ বিষয়ে আলোচনা কৰে।

২। আমেৰিকাৰ সহযোগত ইৰাণৰ ২৪ খন প্ৰদেশত ক্ষেপনাস্ত্ৰৰে আক্ৰমণ চলোৱা বুলি ইজৰাইলৰ বায়ুসেনা বাহিনীয়ে প্ৰকাশ কৰিছে।

৩। চৰকাৰ পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতিক নিৰন্তৰ নিৰীক্ষণ কৰি আছে বুলি পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদ্বীপ সিং পুৰীয়ে মন্তব্য কৰিছে।

আৰু

৪। বাৰ্মিংহামত অল ইংলেণ্ড বেডমিণ্টন ছেম্পিয়নশ্বিপত আজি ভাৰতে অভিযান আৰম্ভ কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি জৰ্ডানৰ ৰজা দ্বিতীয় আব্দুল্লাৰ সৈতে বাৰ্তালাপ কৰি অঞ্চলটোৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত ভাৰতৰ গভীৰ উদ্বেগ প্ৰকাশ কৰে। শ্ৰীমোদীয়ে শান্তি, নিৰাপত্তা আৰু জৰ্ডানৰ জনসাধাৰণৰ মংগলৰ বাবে ভাৰতৰ সমৰ্থন পুনৰ দৃঢ় কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে শ্ৰীমোদীয়ে কয় যে এই কঠিন সময়ত জৰ্ডানৰ ভাৰতীয় সম্প্ৰদায়ৰ যত্ন লোৱাৰ বাবে ৰজাক তেওঁ ধন্যবাদ জ্ঞাপন কৰিছে।

ooooo

পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে কয় যে চৰকাৰে পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতিৰ ওপৰত নিৰন্তৰ নিৰীক্ষণ কৰি আছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে শ্ৰীপুৰীয়ে কয় যে দেশত প্ৰধান পেট্ৰলিয়াম সামগ্ৰীৰ উপলব্ধতা আৰু ব্যয়সাধ্যতা নিশ্চিত কৰাৰ বাবে প্ৰয়োজনীয় সকলো পদক্ষেপ গ্ৰহণ কৰা হ'ব। মন্ত্ৰীগৰাকীয়ে লগতে জনায় যে তেওঁ মন্ত্ৰালয় আৰু ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে খাৰুৱা তেল, এল পি জি, আৰু অন্যান্য পেট্ৰলিয়াম সামগ্ৰীৰ যোগানৰ পৰিস্থিতি পৰ্যালোচনা কৰে।

ooooo

আমেৰিকাৰ সহযোগত ইৰাণৰ ৩১ খন প্ৰদেশৰ প্ৰায় ২৪ খনত ১২০০ৰো অধিক ক্ষেপনাস্ত্ৰৰে আক্ৰমণ চলোৱা বুলি ইজৰাইলৰ বায়ুসেনা বাহিনীয়ে প্ৰকাশ কৰিছে। বাহৰেইন, ইৰাক, জৰ্দান, কুৱেইট, ওমান, কাটাৰ, ছৌদি আৰৱ আৰু সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰকে ধৰি ৯ খন ৰাষ্ট্ৰত ইৰাণে আক্ৰমণ কৰিছে। আমেৰিকা ইজৰাইলৰ যৌথ আক্ৰমণত ইৰাণৰ ৫৫৫ জনৰো অধিক লোকৰ মৃত্যু হোৱা বুলি প্ৰকাশ পাইছে। ইয়াৰে মাজত মিনাব অঞ্চলৰ এখন বালিকা প্ৰাথমিক বিদ্যালয়ত ১৮০টি শিশুৰ মৃত্যুৰ কাৰক হোৱা আক্ৰমণ সবাতোকা ভয়াৱহ বুলি বিবেচিত হৈছে। ইৰানৰ সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি অনুসৰি ইৰাণৰ সৰ্বোচ্চ নেতা আলি খামেনেইৰ পত্নীৰো এই আক্ৰমণত মৃত্যু হৈছে। ইপিনে, ইজৰাইলত ইৰাণৰ মিছাইল আক্ৰমণত বেইট ছেমইছৰ ৯ জন লোকৰ মৃত্যু আৰু ২০ জনৰো অধিক আঘাটপ্ৰাপ্ত হৈছে।

ইপিনে, কুৱেইটত ইৰাণৰ আক্ৰমণত আমেৰিকাৰ ৪ জন সেনাৰ মৃত্যু আৰু ৫ জন গুৰুতৰভাৱে আঘাটপ্ৰাপ্ত হৈছে। কুৱেইট আন্তঃৰ্জাতিক বিমান বন্দৰতো ড্ৰোণ আক্ৰমণত এজনৰ মৃত্যু আৰু ৩২ জনৰো অধিক লোক আহত হোৱাৰ খবৰ আহিছে।

লেবাননত হেজবুল্লাই চলোৱা আক্ৰমণৰ পাছতেই ইজৰাইলে দিয়া প্ৰত্যুত্তৰত কমেও ৫২ জনৰ মৃত্যু হোৱাৰ উপৰি ১৫৪ জন আঘাটপ্ৰাপ্ত হৈছে।

বাংলাদেশৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালেয়ে প্ৰকাশ কৰা অনুসৰি মধ্যপ্ৰাচ্যত হোৱা মিছাইল আৰু ড্ৰোণ আক্ৰমণত দেশখনৰ দুজন লোকৰ মৃত্যু আৰু আন ৭ জন আহত হৈছে। সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰত এজন পাকিস্তানীকে ধৰি ৩ জন লোকৰ মৃত্যু আৰু প্ৰায় ৬০ জন আঘাটপ্ৰাপ্ত হোৱাৰ খবৰ আহিছে।

উল্লেখযোগ্য যে, পশ্চিম এচিয়া আৰু মধ্যপ্ৰাচ্যৰ দেশসমহূৰ এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আবদ্ধ ভাৰতীয়সকলক উদ্ধাৰৰ বাবে সকলো প্ৰচেষ্টা অব্যাহত ৰখা হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজুৰে ইতিমধ্যে প্ৰকাশ কৰিছে।

ooooo

আমেৰিকাৰ সেনাই আটাইতকৈ ভয়ংকৰ প্ৰহাৰ কৰিবলৈ এতিয়াও বাকী আছে বুলি আমেৰিকাৰ বৈদেশিক মন্ত্ৰী মাৰ্কো ৰুবিঅ'য়ে মন্তব্য কৰিছে। উদ্দেশ্যে পূৰণ নোহোৱালৈকে আমেৰিকাই ইৰাণৰ বিৰুদ্ধে আক্ৰমণ অব্যাহত ৰাখিব বুলিও তেওঁ স্পষ্ট কৰে। ইপিনে, ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পেও একেটা সুৰতে তথা মধ্যপ্ৰাচ্যত এই যুদ্ধ অব্যাহত থকাৰ ইগিংত দি মন্তব্য কৰিছে যে, আতংকৰ কাৰণ ৰূপে ঠিয় দিয়াৰ ক্ষমতা হেৰুৱাই নেপোলোৱালৈকে ইৰাণৰ বিৰুদ্ধে আমেৰিকাই আক্ৰমণ চলাই যাব। শনিবাৰে আমেৰিকা আৰু ইজৰাইলৰ যৌথ আক্ৰমণ আৰম্ভ হোৱাৰ পাছত প্ৰথমবাৰলৈ ৰাজহুৱা অনুষ্ঠানত কৰা মন্তব্যত ট্ৰাম্পে এই কথা সদৰী কৰে। ট্ৰাম্পে লগতে কয়, যে ইৰাণৰ মিছাইলৰ শক্তিক সম্পূৰ্ণ ধবংস কৰিবলৈ আমেৰিকা বদ্ধপৰিকৰ।

ooooo

কাশ্মীৰ উপত্যকাত আইন শৃংখলা বৰ্তাই ৰাখি শান্তিপূৰ্ণ পৰিবেশ সুনিশ্চিত কৰাৰ উদ্দেশ্যে বিশেষ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কালি আৰু আজি চৰকাৰী - বেচৰকাৰী সকলোবোৰ শিক্ষানুষ্ঠান বন্ধ ৰখা হৈছে। কাশ্মীৰ বিশ্ববিদ্যালয় আৰু ইছলামিক ইউনিভাৰছিটি অৱ চায়েন্স এণ্ড টেকনলজিয়েও নতুন অধিসূচনা জাৰি নকৰালৈকে পৰীক্ষাসমূহ স্থগিত ৰাখিছে। স্পৰ্শকাতৰ অঞ্চলসমূহত অতিৰিক্ত আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনী

নিয়োগ কৰি সমগ্ৰ অঞ্চলটোত  নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰা হৈছে। ব্যক্তিগত পৰিবহন ব্যৱস্থাৰ সামান্যভাৱে অব্যাহত ৰাখি ৰাজ্যিক পৰিবহন ব্যৱস্থা প্ৰায় নিষিদ্ধ কৰা হৈছে।

উল্লেখযোগ্য যে, ইৰাণত আমেৰিকা-ইজৰাইলৰ বোমা বিস্ফোৰণৰ ফলস্বৰূপে ইৰাণৰ সৰ্বোচ্চ নেতা আয়াতুল্লা চৈয়দ আলি খামেনেইৰ মৃত্যু হোৱাক লৈ অব্যাহত থকা ব্যাপক প্ৰতিবাদৰ পাছত কাশ্মীৰৰ  বিভিন্ন অঞ্চলত স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হৈছে। ইতিমধ্যে শ্ৰীনগৰ আৰু কাশ্মীৰ অঞ্চলত  বিশেষকৈ ছিয়া মুছলমান অধ্যুষিত ডাউন টাউন অঞ্চলক স্পৰ্শকাতৰ বিবেচনা কৰি অধিক নিৰাপত্তাৰক্ষী মোতায়েনৰ ব্যৱস্থা কৰা হৈছে।

ooooo

পঞ্জাব চৰকাৰে আমেৰিকা-ইজৰাইল আৰু ইৰাণৰ মাজত অব্যাহত সংঘাতৰ পৰিপ্ৰেক্ষিতত মধ্য এছিয়া আৰু মধ্যপ্ৰাচ্যত আবদ্ধ হৈ পৰা পঞ্জাবৰ নাগৰিকসকলৰ বাবে ২৪ ঘণ্টীয়া হেল্পলাইন সেৱাৰ ঘোষণা কৰিছে। এই সেৱাই পৰামৰ্শ, তথ্য তথা সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে যোগাযোগকে ধৰি প্ৰয়োজনীয় প্ৰতিটো দিশ সামৰি ল'ব। ভাৰতৰ পৰা কোনো লোকে সহায় বিচাৰিলে 1100 নম্বৰত আৰু বিদেশৰ পৰা 0172-22-60-042 আৰু 0172-22-60-043 নম্বৰত যোগাযোগ কৰিব পাৰিব।

ooooo

পশ্চিম এছিয়াত অব্যাহত থকা পৰিস্থিতি সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছৌদি আৰবৰ ৰজা তথা প্ৰধানমন্ত্ৰী মহম্মদ বিন ছলমানৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে। শ্ৰীমোদীয়ে ছৌদি আৰবৰ অলপতে হোৱা আক্ৰমণক গৰিহণা দি এয়া সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ প্ৰতি ভাবুকি বুলি অভিহিত কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে প্ৰকাশ কৰিছে যে, দুয়োপক্ষই আঞ্চলিক শান্তি তথা স্থিৰতাৰ পূৰ্বৰ পৰিৱেশ শীঘ্ৰেই উভতাই অনাত একমত। অস্থিৰ এই সময়ছোৱাত তাত থকা ভাৰতীয় লোকসকলৰ যত্ন লোৱাৰ বাবে শ্ৰীমোদীয়ে মহম্মদ বিন ছলমানক ধন্যবাদ জনায়। শ্ৰীমোদীয়ে লগতে বাহৰেইনৰ ৰজা হামাদ বিন ইছা অল খালিফাৰ সৈতেও টেনিফোনিক বাৰ্তালাপত মিলিত হয়। বাহৰেইনত হোৱা আক্ৰমণক গৰিহণা দি বিপদৰ এই সময়ছোৱাত ভাৰত তেওঁলোকৰ কাষত থকা বুলি শ্ৰীমোদীয়ে আশ্বাস দিছে। শ্ৰীমোদীয়ে লগতে বাহৰেইনৰ ৰজাক ভাৰতীয় লোকসকলৰ সুৰক্ষাৰ ক্ষেত্ৰত লোৱা ব্যৱস্থাৰ বাবে ধন্যবাদ জনায়।

ooooo

পশ্চিমবংগত তৃণমূল কংগ্ৰেছৰ চৰকাৰৰ অপশাসনৰ বাবে ৰাজ্যখনৰ নাগৰিকসকলে পৰিবৰ্তনৰ আশা কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে মন্তব্য কৰিছে। কালি পশ্চিমবংগৰ ২৪ পৰগনা ৰায়দিঘিৰ পৰা ৰাজ্যখনত বিজেপিৰ পৰিবৰ্তন যাত্ৰাৰ শুভাৰম্ভ কৰি তেওঁ এই মন্তব্য কৰে। মমতা বেনাৰ্জীৰ উপৰিও তৃণমূল কংগ্ৰেছৰ নেতাসকলক আক্ৰমণৰ লক্ষ্য কৰি তেওঁ কয়, যে পশ্চিমবংগত অভিষেক বেনাৰ্জীক পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে পৰিচয় কৰাই দিবলৈ চেষ্টা চলাই থকা হৈছে। দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰি শ্ৰীশ্বাহে কয়, যে বৰ্তমানৰ চৰকাৰখনে উন্নয়নক একাষৰীয়া কৰিছে। বিজেপিৰ চৰকাৰ আহিলে পশ্চিমবংগৰ পৰা অবৈধ প্ৰব্ৰজনকাৰীসকলক বিদায় দিয়া হ'ব বুলি শ্বাহে উল্লেখ কৰে। ৰাজ্যখনৰ সমাগত বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিজেপিয়ে ৰাজ্যখনৰ ৯ টাকৈ স্থানত এই পৰিৱৰ্তন যাত্ৰাৰ কাৰ্যসূচী গ্ৰহণ কৰিছে।

ooooo

বাৰ্মিংহামত আজি হ'বলগীয়া ২০২৬ চনৰ অল ইংলেণ্ড বেডমিণ্টন চেম্পিয়নশ্বিপত ভাৰতে নিজৰ অভিযান আৰম্ভ কৰিব, য'ত পাঁচোটা শাখাতে ১২ জনীয়া দলে অংশগ্ৰহণ কৰিছে। আমেৰিকা-ইৰাণৰ সংঘাতৰ মাজতে উপসাগৰীয় আকাশমাৰ্গ বন্ধ হোৱাৰ ফলত ডুবাইত আবদ্ধ হৈ পৰাৰ বাবে দুবাৰৰ অলিম্পিক পদক বিজয়ী পিভি সিন্ধুৱে প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰিব নোৱাৰিব। পুৰুষৰ একক শাখাত লক্ষ্য সেনে প্ৰথম ৰাউণ্ডত বিশ্বৰ ১ নং আৰু ডিফেণ্ডিং চেম্পিয়ন চীনৰ শ্বি ইউ ছিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

মহিলাৰ একক শাখাত মালবিকা বানছ'ডে প্ৰথম ৰাউণ্ডত অলিম্পিক চেম্পিয়ন তথা বিশ্বৰ ৩ নং স্থানৰ চীনৰ চেন ইউফেইৰ বিৰুদ্ধে এখন প্ৰত্যাহ্বান পূৰ্ণ খেলত অংশ লব। উন্নাটি হুডাই থাইলেণ্ডৰ অষ্টম বাছনি প্ৰাপ্ত পৰ্ণপাৱী চ'চুৱঙৰ বিৰুদ্ধে খেলিব। মহিলাৰ ডাবলছত ট্ৰিছা জলী আৰু গায়ত্ৰী গোপিচাণ্ডে জাপানৰ অভিজ্ঞ যুটি ছায়াকা হিৰোটা আৰু আয়াকো ছাকুৰামোটোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ধ্ৰুৱ কপিলা আৰু তানিছা ক্ৰাষ্টোৰ মিক্সড ডাবলছ যুটিয়ে মালয়েছিয়াৰ হু পাং ৰন আৰু চেং ছু য়িনৰ বিৰুদ্ধে মুখামুখি হ'ব।

পুৰুষৰ ডাবলছত বিশ্বৰ প্ৰাক্তন ১ নং স্থানৰ যুটি সাতৱিকছাইৰাজ ৰেংকিৰেডী আৰু চিৰাগ শ্বেট্টীয়ে কাইলৈ মালয়েছিয়াৰ কাং খাই জিং আৰু এৰন টাইৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিব।

০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড° মানসুখ মাণ্ডবিয়াই কালি নতুন দিল্লীৰ জেনেৰেল পুল অফিচত থকা নেতাজী নগৰত যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ নতুন কাৰ্যালয় উদ্বোধন কৰে।

০০০০০

**সমাপ্ত**